জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪২৭/২০২০

**শ্বহীদ কুশল কোঁৱৰৰ ৭৭ সংখ্যক মৃত্যু বাৰ্ষিকীত শ্বহীদগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে**

# অমৰ শ্বহীদ কুশল কোঁৱৰৰ আদৰ্শৰে ঐক্যবদ্ধভাৱে দেশৰ বৃহত্তৰ স্বাৰ্থৰ হকে কাম কৰাৰ বাবে সকলোৰে সংকল্পবদ্ধ হ'ব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৫ জুনঃ** স্বাধীনতা আন্দোলনৰ অমৰ শ্বহীদ কুশল কোঁৱৰৰ ৭৭ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম ৰাজ্যিক মুক্তি যুঁজাৰু সন্মিলনৰ উদ্যোগত তথা কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু কামৰূপ জিলা মুক্তি যুঁজাৰু সন্মিলনৰ সহযোগত মহানগৰীৰ নেহৰু উদ্যানত আয়োজিত শ্ৰদ্ধঞ্জলী অনুষ্ঠানত অংশগ্ৰহণ কৰি উদ্যানখনত থকা শ্বহীদগৰাকীৰ প্ৰতিমূৰ্ত্তিত মাল্যাৰ্পণেৰে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

অনষ্টুপীয়াকৈ অয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থকা সংবাদিকসকলক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শ্বহীদ কুশল কোঁৱৰৰ দেশপ্ৰেমৰ আদৰ্শৰে উদ্বুদ্ধ হৈ অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ ৩৩ খন জিলাৰ সকলো শ্ৰেণীৰ জনসাধাৰণে ভাৰতবৰ্ষৰ বুকুত থকা শান্তি-সমন্বয় আৰু ভাতৃত্ববোধৰ বান্ধোন আৰু অধিক সুদৃঢ় কৰাৰ বাবে সংকল্পবদ্ধ হ'ব লাগিব। অমৰ শ্বহীদগৰাকীৰ আদৰ্শৰে ঐক্যবদ্ধভাৱে দেশৰ বৃহত্তৰ স্বাৰ্থৰ হকে কাম কৰাৰ বাবে আজিৰ এই পৱিত্ৰ ক্ষণতে সংকল্পবদ্ধ হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। দেশৰ জনসাধাৰণৰ মাজত থকা সমন্বয় যাত্ৰাত আমি সকলোৰে অংশীদাৰ হ'ব লাগিব বুলি কৈ উঠি অহা প্ৰজন্মক দেশৰ বৃহত্তৰ স্বাৰ্থত আত্মনিয়োগ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। অসমৰ বুকুত থকা শান্তি-সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ বান্ধোনৰ ভেটি টনকিয়াল কৰাৰ বাবে আগন্তুক দিনত সকলোৰে মানৱীয় অনুভূতিৰে কাম কৰি যাব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি দেশৰ বৃহত্তৰ স্বাৰ্থত সৰ্বোচ্চ ত্যাগ কৰাৰ মানসিকতাও আমি সকলো সময়তে অক্ষুন্ন ৰাখিব লাগিব বুলি মুখ্যমন্ত্ৰী কয়।

বিজেপি নেতৃত্বাধীন বৰ্তমানৰ ৰাজ্য চৰকাৰখনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সব্‌কা সাথ, সব্‌কা বিকাশ, সব্‌কা বিশ্বাস' নীতিৰ দ্বাৰা উদ্বুদ্ধ হৈ অসমৰ বুকুত সমন্বয়ৰ যাত্ৰা পথত অগ্ৰসৰ হৈছে বুলি উল্লেখ কৰি বৰ্তমানৰ চৰকাৰখনে অসমৰ বুকুত উন্নয়নৰ এক দৃষ্টান্ত দাঙি ধৰাৰ বাবে নিষ্ঠাসহকাৰে প্ৰয়াস অব্যাহত ৰাখিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অসমৰ জনসাধাৰণে ঐক্যবদ্ধভাৱে এই সমাজখনক আৰু অধিক শক্তিশালী ৰূপত গঢ় দিয়াৰ বাবে আত্মনিয়োগ কৰিব লাগিব বুলি উল্লেখ কৰি শ্বহীদ কুশল কোঁৱৰৰ আদৰ্শৰে অসমক দৃঢ়তাৰে আগুৱাই নি সমগ্ৰ ভাৰতবৰ্ষৰ বুকুতে সমন্বয়ৰ এক শক্তিশালী বাতাৱৰণ সৃষ্টি কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই শ্ৰদ্ধাঞ্জলী অনুষ্ঠানত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগু, অসম ৰাজ্যিক মুক্তি যুঁজাৰু সন্মিলনৰ সভাপতি কৃষ্ণ লহকৰ, সাধাৰণ সম্পাদক দ্বিজেন্দ্ৰ মোহন শৰ্মাৰ লগতে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

**বঃভাঃ**
**১৫/৬/২০২০**